**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-04-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টৰ পৰা জনগণনা আৰম্ভ।

২। চিৰাং জিলাৰ হিংসাত্মক কাৰ্যত লিপ্ত থকাৰ অভিযোগত আৰু ছজন লোকক গ্ৰেপ্তাৰ।

৩। জাতীয় উৎসৱ ৰঙালী বিহুৰ ষষ্ঠ দিনত ৰাজ্যজুৰি চেনেহী বিহু পালন।

৪। সামাজিক মাধ্যমত প্ৰচাৰ চলোৱাৰ ক্ষেত্ৰত নিৰ্বাচনী বিধি উলংঘা নকৰিবলৈ নিৰ্বাচন আয়োগৰ পুনৰ নিৰ্দেশ।
*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছৰ, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত এই প্ৰক্ৰিয়া অহা ২ আগষ্টৰ পৰা আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুন মাহৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে আজি এই বিষয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলৰ পৰা লোকপিয়ল আৰম্ভ হৈছে। অসম, তামিলনাডু, পশ্চিমবংগ, কেৰলম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া পলমকৈ আৰম্ভ হ'ব।

দেশৰ যোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্পৰ ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকাৰ প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০

চিৰাং জিলাৰ ৰুণীখাটাত হিংসাত্মক কাৰ্য সংঘটিত কৰা আৰু ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বৃহস্পতিবাৰে নিশা ১৫ গৰাকী অপৰাধীক আটক কৰাৰ পাছত চিৰাং আৰক্ষীয়ে আজি পুৱাৰ ভাগত পুনৰ ছজন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগে লগে বনাঞ্চলিক কাৰ্যালয়ত চলোৱা হিংসাত্মক কাৰ্যত জড়িত গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি পালে। ধৃত লোকসকলক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ইতিমধ্যে অঞ্চলটোৰ পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হ'বলৈ ধৰিছে। অৱশ্যে অঞ্চলটোত এতিয়াও কটকটীয়া সুৰক্ষা ব্যৱস্থা বলৱৎ হৈ আছে। ৰুণীখাটাত আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে দ্ৰুত কাৰ্যবাহিনী দল নিয়োগ কৰা হৈছে আৰু চাৰিখন জিলাৰ পৰা অনা আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। উৰা বাতৰি আৰু উচতনিমূলক বাৰ্তাৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত আজিও ম'বাইল ইণ্টাৰনেট সেৱা বন্ধ কৰি ৰখা হৈছে। ইয়াৰ ফলত ব্যৱসায়ৰ সৈতে জড়িত লগতে ইণ্টাৰনেট সেৱাৰ জৰিয়তে জীৱিকা চলোৱা লোকসকল সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে।

০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি ষষ্ঠ দিনটো ৰাজ্যত চেনেহী বিহু বা জীয়ৰী বিহু হিচাপে পালন কৰা হৈছে। এই দিনটোত বিবাহিতা জীয়াৰীসকল মাতৃ গৃহলৈ যোৱাৰ পৰম্পৰা আছে। সেয়েহে এই বিহুক জীয়ৰী বা চেনেহী বিহু বুলি কোৱা হয়। অসমীয়া সংস্কৃতিত সাতবিহুৰ অন্যতম এই চেনেহী বিহুৰ বিশেষ গুৰুত্ব আছে।

ৰঙালী বিহুৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ পাৰম্পৰিক বসন্ত উৎসৱসমূহো উলহ-মালহেৰে পালন কৰা হৈছে। শৰণীয়া কছাৰীসকলৰ বাঁহ গোঁসাই উৎসৱো তামুলপুৰৰ বৰনগৰত থকা ৰাজহুৱা খেলপথাৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান সন্দৰ্ভত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ বিষয়ববীয়াই এইদৰে কয়-

(বাইট)

ইফালে ৰঙালীৰ লগতে ৰংজালী বৈচাগুৰ উচাহেও তামুলপুৰ জিলাৰ আকাশ-বতাহ মুখৰিত কৰা দেখা গৈছে। ৰংজালী গান্ধীবাৰীত আয়োজিত আঞ্চলিক ৰঙালী বিহু সন্মিলন আৰু ৰংজালী বৈচাগু আফাদৰ সোণালী জয়ন্তী বৰ্ষৰ আজি অন্তিম দিনটোত এটা বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত অসমীয়া জাতিয় কৃষ্টি-সংস্কৃতিৰ লগতে বড়ো, কোচ ৰাজবংশী, নেপালী আৰু আদিবাসীসকলৰ স্বকীয় কলা-সংস্কৃতি প্ৰদৰ্শন কৰা হয়। বাক্সা জিলাতো বৈচাগু উপলক্ষে গাঁওসমূহত মহিলাসকলে বৈচাগু নৃত্য প্ৰদৰ্শন কৰি সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিছে।

ইফালে, নামনি অসমৰ উল্লেখযোগ্য লোক উৎসৱ ভঠেলী বা **দহৰ ফুৰুৱা**ৰো আজি পৰম্পৰাগত ৰীতি-নীতিৰে সামৰণি পৰে। এই লোক উৎসৱৰ বাবে এডাল ৫-৬ হাত দীঘল বাঁহ কাটি সুন্দৰকৈ পৰিষ্কাৰ কৰি গৰু বিহুৰ দিনাখন গোঁসাই দহৰ বাঁহ সজোৱা হয়। মূৰত পিতলৰ এটা চোলা পিন্ধাই গোঁসাই বাঁহ ডাল ৰঙীন কাপোৰেৰে মেৰিয়াই ওপৰত ৰুমাল, চোৱাৰ অথবা ফুলাম বিহুৱান গাঁঠি দি গোঁসাই বা অৰ্থাৎ দহৰ গোঁসাই বাঁহ প্ৰস্তুত কৰি লোৱা হয়। পিছত গাঁৱৰ চেমনীয়াসকলে দহৰ গোঁসাইক ঢোল, তাল, বৰকাঁহ, শংস আদি মাংগলিক বাদ্য বজাই ঘৰে ঘৰে নি পৰিয়ালৰ মংগল কামনা কৰি আশীৰ্বাদ দিয়া হয়।

০০০০০

১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়ক লোকসভাত অগ্ৰাহ্য হোৱাৰ পাছত ভাৰতীয় জনতা পাৰ্টীয়ে বিৰোধী দল কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। এই সন্দৰ্ভত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধান বিৰোধী দল কংগ্ৰেছকে ধৰি বিপক্ষৰ স্থিতি নাৰী বিদ্বেষী বুলি অভিহিত কৰে। অসমতো আজি এই সন্দৰ্ভত দলটোৰ লগতে মিত্ৰদল অগপৰ শীৰ্ষ নেতৃত্বৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বিজেপিৰ অসম প্ৰদেশৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত এই বৈঠকত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, বি পি এফৰ চৰণ বড়ো, অগপৰ ফণীভূষণ চৌধুৰী, ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য

টংকেশ্বৰ ৰাভাকে ধৰি অন্যান্য নেতৃবৃন্দই অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ স্থিতিৰ বিৰুদ্ধে বিজেপি তথা এন ডি এৰ সহযোগী দলসমূহে অহা ২৩ এপ্ৰিলত গুৱাহাটীত এটা বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰিব। শ্ৰীভূমি জিলাতো নাৰী বন্দন অধিনিয়ম অগ্ৰাহ্য হোৱাৰ পৰিপ্ৰেক্ষিতত আজি বিজেপি জিলা কাৰ্যালয়ত মহিলা মৰ্চাৰ উদ্যোগত এটা প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগণনালৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত আজি গুৱাহাটীত বিৰোধী ঐক্যমঞ্চৰ এখন গুৰুত্বপূৰ্ণ বৈঠকৰ আয়োজন কৰা হৈছে। এই বৈঠকত কংগ্ৰেছৰ লগতে বিৰোধী দলৰ নেতৃত্ব আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ১২৪গৰাকী প্ৰাৰ্থী উপস্থিত থকাৰ কথা আছে।

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে সামাজিক মাধ্যম আৰু ডিজিটেল মঞ্চসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ আওতাত পৰা সকলোকে দায়িত্বশীল হ'বলৈ পুনৰবাৰ আহ্বান জনায়। আয়োগে এই ক্ষেত্ৰত ২০০০ চনৰ তথ্য প্ৰযুক্তি আইন আৰু ২০২১ চনৰ তথ্য প্ৰযুক্তি অধিনিয়ম তথা আৰ্হি আচৰণ বিধিৰ অন্তৰ্ভুক্ত বিধিগত নীতি-নিয়মসমূহ মানি চলিবলৈ সকলোকে নিৰ্দেশ দিয়ে। আয়োগে আজি এখন প্ৰেছ বিজ্ঞপ্তি যোগে যিকোনো বিভ্ৰান্তিকৰ বিষয় আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সৃষ্টি কৰা ছবি অথবা দৃশ্য শ্ৰাব্য বিষয়বস্তুৰ ক্ষেত্ৰত সামাজিক মাধ্যমসমূহত অভিযোগৰ তিনি ঘণ্টাৰ ভিতৰত  ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়োগে ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থী বা প্ৰচাৰ প্ৰতিনিধিক কৃত্ৰিম বুদ্ধিমত্তাৰে সৃষ্টি কৰা প্ৰচাৰ সামগ্ৰীৰ ক্ষেত্ৰত সেয়া কৃত্ৰিম বা ডিজিটেলি উন্নত কৰা হৈছে বুলি সুস্পষ্ট কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি অসম, কেৰলম, তামিলনাডু, পুডুচেৰী আৰু পশ্চিমবংগত চলি থকা বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমত নিৰ্বাচনী আঁচৰণ বিধি ভংগ হোৱা যিকোনো কাৰ্যকে নিৰীক্ষণ কৰা হৈছে বুলিও নিৰ্বাচন আয়োগৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে। এই ক্ষেত্ৰত চি ভিজিল এপৰ জৰিয়তে সাধাৰণ নাগৰিকক এনে যিকোনো আচৰণ বিধি ভংগৰ ঘটনাকে আয়োগৰ দৃষ্টি গোচৰ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ অসম তথা আউনীআটী বিশ্ববিদ্যালয়ৰ মাজত আজি ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ চ'ৰাত এখন বুজাবুজি চুক্তি সম্পন্ন হয়। এই চুক্তি অনুসৰি অনাগত দিনসমূহত পৰিষদ আৰু বিশ্ববিদ্যালয়ৰ যুটীয়া প্ৰচেষ্টাত সত্ৰীয়া গীত, নৃত্য, বাদ্যকে ধৰি ভাস্কৰ্য্য, শিল্পকলা আদি শিল্পসমূহ জনসাধাৰণৰ মাজলৈ বিশেষকৈ নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হ'ব। এই অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয় আচাৰ্য্য ড০ পিতাম্বৰদেৱ গোস্বামী, গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ দেবানন্দদেৱ গোস্বামী পৰিষদৰ সচিবকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

আজি বিশ্ব যকৃৎ দিৱস। এইবছৰৰ এই দিৱসৰ মূলবাণী হ'ল— সু-অভ্যাস, শক্তিশালী যকৃৎ। দৈনন্দিন সু-অভ্যাসৰ জৰিয়তে যকৃৎ শক্তিশালী তথা ৰোগমুক্ত কৰি ৰখাই এই দিৱসৰ তাৎপৰ্য। সুষম খাদ্য গ্ৰহণ, নিয়মীত ব্যায়াম, সুৰাপান বৰ্জন আৰু নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ দ্বাৰা যকৃৎ সুস্থ কৰি ৰাখিব পাৰি। প্ৰতিবছৰে যকৃৎজনিত ৰোগত বছৰি ২০ লাখ লোকৰ মৃত্যু হয় বুলি এটা সমীক্ষাত প্ৰকাশ পাইছে। সেয়েহে এই বিষয়ত জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে আজিৰ দিনটোত বিশ্ব যকৃৎ দিৱস পালন কৰি অহা হৈছে।

০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ সাধনী ভৱন লক্ষ্মীনাৰায়ণ ক্ষেত্ৰ ৰাজহুৱা খেলপথাৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ৫০৩ সংখ্যক সতী সাধনী দিৱস আৰু ঢকুৱাখনা জিলা চুতীয়া জাতি সন্মিলনৰ ২২ সংখ্যক ত্ৰিবাৰ্ষিক

অধিবেশন অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত, সদৌ চুতীয়া জাতি সন্মিলন আৰু ঢকুৱাখনা জিলা চুতীয়া জাতি সন্মিলনৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ প্ৰথম দিনা কাইলৈ বালিগাওঁ যুৱ সমাজৰ উদ্যোগত সাধনী ভৱনৰ চৌহদ নিকাকৰণ আৰু পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হ'ব। ২১ এপ্ৰিলৰ দিনা জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰে অনুষ্ঠানৰ সামৰণি পৰিব।

ooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অসম সত্ৰ মহাসভাই পৰিচালিত কৰা পৰীক্ষা পৰিষদৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ মাজত মণিকাঞ্চন শীৰ্ষক এটা বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। সত্ৰ মহাসভাৰ সভাপতি জীতেন্দ্ৰ নাথ প্ৰধানে বন্তি প্ৰজলনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ধুবুৰীৰ সত্ৰশাল ৰামৰায়কুটি সত্ৰৰ সত্ৰাধিকাৰ জীতেন্দ্ৰ নাথ প্ৰধানীয়ে সংস্কৃত ভাষাত ৰচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী গ্ৰন্থ উন্মোচন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ জগদীশ শৰ্মাই গ্ৰন্থখন উন্মোচন কৰি এনে সাহসী প্ৰচেষ্টাই গুৰুজনাৰ বৰ্ণিল জীৱন পৰিক্ৰমাক এক অনন্য ৰূপ প্ৰদান কৰে বুলি মত প্ৰকাশ কৰে। এই অনুষ্ঠানতে শিশু গ্ৰন্থ, ভাগৱতৰ সাধু উন্মোচন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ আৰু অৱসৰপ্ৰাপ্ত তথ্য আয়ুক্ত মোহন মালাকাৰে অসম সত্ৰ মহাসভাই গুৰুজনাৰ কৃষ্টি সংস্কৃতি আগুৱাই নি অসমীয়া আধ্যাত্মিক জীৱন সমৃদ্ধ কৰাৰ বাবে জন্মলগ্নৰে পৰা গ্ৰহণ কৰি অহা প্ৰচেষ্টাৰ শলাগ লয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত হোৱা প্ৰথম খেলখনত ৰাজস্থান ৰয়েলছ, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে কলকাতা নাইট ৰাইডাৰ্ছে ১৫ অভাৰত ৬ টা উইকেট হেৰুৱাই ৯৭ ৰান সংগ্ৰহ কৰি খেলি আছে।

চণ্ডিগড়ত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

কলকাতা নাইট ৰাইডাৰ্ছে এতিয়াও প্ৰথমটো বিজয়ৰ বাবে অপেক্ষা কৰি আছে আৰু মাত্ৰ ১ পইণ্টেৰে তালিকাৰ শেষৰ স্থানত আছে। আনহাতে ৰাজস্থান ৰয়েলছে ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি ৮ পইণ্ট লাভ কৰিছে। পাঞ্জাব কিংছ বৰ্তমান ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি মুঠ ৯ পইণ্ট লাভ কৰি তালিকাৰ শীৰ্ষ স্থানত আছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৪ পইণ্টেৰে অষ্টম স্থান দখল কৰি আছে।

ooooo

গুৱাহাটীত অনুষ্ঠিত অষ্টম ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতাত নিকশিতা কোঁৱৰে সোণৰ আৰু সন্দীপ বসুমতাৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। সোনাপুৰৰ অসম ডনবস্ক বিশ্ববিদ্যালয়ত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ প্ৰতিযোগিতাখনৰ আজি অন্তিম দিনা ছোৱালীৰ ৬৫ কিলোগ্ৰাম শাখাত হাৰিয়ানাৰ বনছিকাক অসমৰ নিকশিতাই ৩-২ ব্যৱধানত পৰাস্ত কৰে। জীৱনৰ প্ৰথমটো ৰাষ্ট্ৰীয় জুনিয়ৰ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি সোণৰ পদক অৰ্জন কৰিও নিকশিতাই আন এক অভিলেখ গঢ়ে। আজি সামৰণি পৰা ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ল'ৰাৰ ৮০ কিলোগ্ৰাম শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ অসমৰ সন্দীপ বসুমতাৰীয়ে ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

ooooo

গুৱাহাটীৰ চেনীকুঠি নিৱাসী পুষ্পলতা বৰদলৈৰ কালি ৮৬ বছৰ বয়সত দেহাৱসান হয়। প্ৰয়াত বৰদলৈ ১৯৬৯ চনৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। নাট শাখাৰ এগৰাকী শিল্পী হিচাপে

তেওঁ অপৰিসীম অৱদান আগবঢ়াই গৈছে। সাংস্কৃতিক কাম-কাজৰ উপৰিও তেওঁ এগৰাকী প্ৰতিশ্ৰুতিবদ্ধ সমাজকৰ্মী হিচাপে বিভিন্ন সামাজিক কাম-কাজৰ সৈতেও সক্ৰিয়ভাৱে জড়িত হৈ আছিল।

ooooo

ঃঃ সমাপ্ত ঃঃ